জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩৫/২০২৩**

# ওদালগুৰিত সংঘটিত ঘটনা চি আই ডিৰ জৰিয়তে তদন্ত কৰিবলৈ আৰক্ষী সঞ্চালকপ্ৰধানক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২৭ ফেব্ৰুৱাৰী ঃ** ওদালগুৰি জিলাত শেহতীয়াকৈ আৰক্ষীৰে হোৱা সংঘৰ্ষৰ ফলত এজন ডকাইত নিহত হোৱাৰ উপৰি আৰক্ষী উপ-পৰিদৰ্শক হীৰাজ্যোতি পেগু আৰু কনিষ্টবল সুকুমাৰ বৰ্মন গুলীত আঘাতপ্ৰাপ্ত হোৱাৰ লগতে ঘটনাস্থলীৰ পৰা অস্ত্ৰ আদিও উদ্ধাৰ হোৱা বিষয়টো চি আই ডিৰ জৰিয়তে সবিশেষ তদন্ত কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি আৰক্ষী সঞ্চালকপ্ৰধানক নিৰ্দেশ দিছে।

ইতিমধ্যে এই ঘটনা সন্দৰ্ভত দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ ব্যৱস্থা কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে আজি দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ উপৰি চি আই ডিৰ তদন্তৰো নিৰ্দেশ দিয়ে। তেওঁ লগতে দুসপ্তাহৰ ভিতৰত চি আই ডিৰ প্ৰতিবেদন দাখিল কৰিবলৈও আৰক্ষী সঞ্চালকপ্ৰধানক নিৰ্দেশ দিয়ে।

**পুঃডেঃ**
**২৭/২/২০২৩**